# লাহৰিঘাটৰ দক্ষিণ চেনিমাৰী পানী যোগান আঁচনি দুমাহ ধৰি বন্ধ



## বিশুদ্ধ পানীৰ পৰিৱৰ্তে দমকলৰ পানী সেৱন কৰিছে ৰাইজে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২ মে' ঃ** জল জীবন মিছন আঁচনিৰ অধীনত চৰকাৰে গাঁৱে গাঁৱে কোটি টকা খৰচ কৰি জনসাধাৰণ হিতাৰ্থে বিশুদ্ধ পানী সেৱনৰ বাবে পানী যোগান আঁচনিৰ প্ৰকল্প স্থাপন কৰি দিছে। পিছে প্ৰকৃততে গাঁৱৰ ৰাইজে নিয়মিতভাৱে বিশুদ্ধ পানী পাইছেনে? মৰিগাঁও জিলাৰ জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ জল জীৱন মিচনৰ লাহৰিঘাটৰ উত্তৰে দক্ষিণ চেনিমাৰী পানী যোগান আঁচনিৰ প্ৰায় এবছৰ হ'ল যদিও ৰাইজ উপকৃত হোৱা নাই। পানী যোগান আঁচনিৰ দ্বাৰা প্ৰথম অৱস্থাত নিয়মিতভাৱে স্থানীয় ২০৮ টা পৰিয়ালে বিশুদ্ধ পানী সেৱনৰ সুবিধা পাইছিল। বৰ্তমান সময়ত স্থানীয় ৰাইজে জনোৱা মতে বিগত দুমাহ ধৰি কাৰিকৰী বিচ্যুতিৰ বাবে সম্পূৰ্ণ ৰূপে পানী যোগান বন্ধ হৈ যোৱাত পুনৰ ২০৮ টা পৰিয়ালে বিশুদ্ধ পানী সেৱনৰ পৰা বঞ্চিত হৈছে। এই সন্দৰ্ভত উক্ত পানী যোগান আঁচনিৰ জল মিত্ৰই বিভাগীয় কৰ্তৃপক্ষক কেইবাবাৰো মৌখিকভাৱে জনাইছে যদিও কৰ্তৃপক্ষই কোনো কাণসাৰেই নিদি কুম্ভকৰ্ণ নিদ্ৰাত মগ্ন হৈ আছে। এক কথাত বগা হাতীত পৰিণত হৈ পৰিছে দক্ষিণ চেনিমাৰী পানী যোগান আঁচনি। স্থানীয় ৰাইজে জনস্বাস্থ্য কাৰিকৰী বিভাগক উক্ত পানী যোগান আঁচনিৰ কাৰিকৰী বিচ্যুতি ঠিক কৰি অতি শীঘ্ৰই পানী যোগান অব্যাহত ৰাখিবলৈ দাবী জনাইছে।

# এগ্‌জিট প'লৰ সমীক্ষা ৰাইজে বিশ্বাস নকৰে ঃ ৰকিবুল হুছেইন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২ মে' ঃ** অসম বিধানসভা নিৰ্বাচনত শাসকীয় বিজেপি নেতৃত্বাধীন এনডিএৰ সপক্ষে প্ৰায়ভাগ এগজিট প'লৰ সমীক্ষা প্ৰকাশ পোৱাৰ সময়তে ৰাইজে এই সমীক্ষা বিশ্বাস নকৰে বুলি মন্তব্য কৰিছে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনে। বৃহস্পতিবাৰে বঙাইগাঁৱত সাংসদ হুছেইনে সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰে। উল্লেখ্য যে ভোট গণনাৰ নিৰপেক্ষতা সুনিশ্চিত কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গঠন কৰি দিয়া প্ৰতিনিধি দলে ৰাজ্যজুৰি ষ্ট্ৰং ৰুম পৰ্যবেক্ষণ কৰি আছে। ইয়াৰে অংশ হিচাপে সাংসদ ৰকিবুল হুছেইনৰ নেতৃত্বত গঠন কৰি দিয়া প্ৰতিনিধি দলে বঙাইগাঁৱত উপস্থিত হৈ বঙাইগাঁও বিশ্ববিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ সবিশেষ বুজ লয়। সাংসদ গৰাকীক সাংবাদিকে নিৰ্বাচনত কংগ্ৰেছে কিমান আসন পাব বুলি সোধাত কয় যে এই কথাখিনি হিমন্ত বিশ্ব শৰ্মাৰ বাহিৰে কোনেও ক'ব নোৱাৰে । কাৰণ যদি নিমিলে তেতিয়া মই লাজ পাওঁ। হিমন্ত শৰ্মাৰতো এইবোৰ কোনো কথাই নাই। আমাৰ কথা হ'ল ৰাইজে ভোট দিছে, আমাৰ চৰকাৰ হ'ব। সকলোৱে জানে যে গৌৰৱ গগৈৰ নেতৃত্বত চৰকাৰ হ'ব। সেই কাৰণে হিমন্ত বিশ্ব শৰ্মাই যোৱাবাৰ যে এশখন আসন পাব বুলি কৈছিল পাইছিল নেকি? গতিকে আমাৰ কোৱা আসনৰ সংখ্যাটো যদি নিমিলে, তেতিয়াহ'লে সাধাৰণতে আমি অকমান ৰাইজৰ ওচৰত লাজ পাওঁ। তেওঁলোকে এইবোৰকলৈ লাজ নেপায়। আমাৰ চৰকাৰ হোৱাটো খাটাং। এতিয়া আমি নিশ্চিত হৈছো। কোনো দিনে কংগ্ৰেছ নকৰা মানুহে যেতিয়া ভোট দি জয় জুবিনদা বুলি ওলাই আহিছে, তেতিয়া ভাবিছো যে হিমন্ত বিশ্ব শৰ্মাক বেয়াপোৱা মানুহ নীৰৱে বাঢ়িছে আৰু তাৰ প্ৰতিফলন ভোটত ওলাইছে । নীৰৱ ভোটাৰৰ সংখ্যা ইমানে বাঢ়িছে আৰু গণনাৰ দিন চমু চাপি অহাত বিৰোধী ঐক্যমঞ্চ যে বিজয়ী হ'ব সেইটো খাটাং হৈছে। সেইবাবে দুই নম্বৰী পদ্ধতিৰে এগজিট প'লৰ সহায় লৈছে। কিন্তু ৰাইজে এগজিটপল বিশ্বাস নকৰে । সাংসদ গৰাকীয়ে লগতে কয় যে সমগ্ৰ ভাৰততে আমি আগতে যিটো সন্দেহ কৰিছিলো সেইটোৱে হৈছে। আমি আগতে কৈছিলো যে ২৯ এপ্ৰিলত পশ্চিমবংগৰ নিৰ্বাচন শেষ হোৱাৰ লগে লগে হিমন্ত বিশ্ব শৰ্মাই এনেকুৱা এটা পৰিৱেশৰ সৃষ্টি কৰিব। তেওঁৰ পক্ষে থকা চেনেলবোৰৰ যোগেদি এনেকুৱা এটা এগজিট প'ল দেখুৱাব যে তেওঁলোকৰ চৰকাৰ আহিব। তাৰ জৰিয়তে আমৰ দলৰ এজেণ্টসকলক নাৰ্ভাচ কৰিব বিচাৰিব। বিশেষকৈ বিষয়াসকলৰ ওপৰত এটা হেঁচা দিবৰ কাৰণে আৰু মনোবল কমাবৰ কাৰণে তথা নিৰপেক্ষ নহ'বৰ কাৰণে এনেকুৱা পৰিকল্পনা কৰিছে। যোৱা নিৰ্বাচনতো হিমন্ত বিশ্ব শৰ্মাই এই পদ্ধতি লৈছিল আৰু সেইবাৰো তেওঁলোকে এশখন আসন পাম বুলি কৈছিল। কিন্তু ষাঠিখনহে পাইছিল। সেইদৰে লোকসভা নিৰ্বাচনৰ সময়তো বিভিন্ন চেনেলে বিজেপিয়ে চাৰিশৰ অধিক আসন পাব বুলি কৈছিল। কিন্তু দুশ ষাঠিখনহে পালে। ইণ্ডিয়া জোটবন্ধনেও সিমানেই পালে । সেয়েহে আমি প্ৰাৰ্থীসকলৰ লগতে এজেণ্টসকলক লগ ধৰিছো আৰু মুখ্য নিৰ্বাচনী বিষয়া আৰু ইয়াৰ বিষয়াসকলকো আমি কৈছো যে আমাক কোনো পক্ষপাতিত্বমূলক নালাগে। নিৰপেক্ষ হৈ ৰাইজে আমাক যিখিনি ভোট দিছে সেইখিনি গণনা কৰাত সহায় কৰক।

## ব্যতিক্ৰমী কাৰ্যসূচীৰে নগাঁও জিলা আয়ুক্তৰ মে' দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ মে' ঃ** কালি নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই মে' দিৱস উপলক্ষে দিনটো কৃষক-শ্ৰমিকসকলৰ মাজত অতিবাহিত কৰাৰ লগতে তেওঁলোকক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। পুৱা শ্ৰম বিভাগৰ জৰিয়তে কেইবাটাও শ্ৰমিক সংগঠনৰ সদস্যক জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষলৈ মাতি আনি তেওঁলোকৰ সৈতে মে' দিৱসৰ তাৎপৰ্য সম্পৰ্কে আলোচনা কৰে। আয়ুক্তগৰাকীয়ে দেশৰ উন্নয়নত শ্ৰমিকসকলৰ অপৰিহাৰ্য বৰঙণিৰ কথাও উল্লেখ কৰি সকলোৱে একেলগে হাতে হাত ধৰি আগুৱাই যাব লাগিব বুলি মন্তব্য কৰে। তেওঁ সকলোৱে সৈতে ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতটি গাই অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত উপস্থিত থকা শ্ৰমিকসকলক তেওঁ ফুলাম গামোচাৰে সম্বৰ্ধনা আৰু মে' দিৱসৰ ওলগ জনায়। ইয়াৰ পিছতে তেওঁ শেনচোৱাৰ শ্যামলী কৃষি পামৰ পথাৰলৈ গৈ অঞ্চলটোৰ কেইবাজনো প্ৰগতিশীল কৃষকক ফুলাম গামোচাৰে ওলগ জনায়। ইয়াতো জিলা আয়ুক্তগৰাকীয়ে শ্ৰমিক দিৱসৰ ইতিহাস আৰু তাৎপৰ্য ব্যাখ্যা কৰি দেশৰ প্ৰগতিৰ কৃষকসকলৰ ভূমিকাৰ আন্তৰিক শলাগ লয়। এই অনুষ্ঠানত জিলা কৃষি বিষয়া নিখিল নাৰায়ণ বৰুৱাও উপস্থিত থাকে।

## নিচাজাতীয় টেবলেটসহ দৌলাশাল আৰক্ষীৰ জালত এজন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰক্ষেত্ৰী, ২ মে' ঃ** নলবাৰী জিলাৰ দৌলাশাল আৰক্ষীৰ জালত পৰিছে নিচাজাতীয় টেবলেটসহ এটা সৰবৰাহকাৰী। দৌলাশাল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতি কমল বনিয়াৰ নেতৃত্বত আৰক্ষীৰ দলে কালি নিশা বৰক্ষেত্ৰীৰ কালদি গাঁৱত অভিযান চলাই নিচাজাতীয় টেবলেটসহ এটা সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰীটো কালদি গাঁৱৰ আব্দুল আজিজ বুলি জানিব পৰা গৈছে। ধৃত সৰবৰাহকাৰীটোৰ পৰা আৰক্ষীয়ে ভালেমান নিচাজাতীয় টেবলেট জব্দ কৰি অধিক তথ্যৰ বাবে দৌলাশাল আৰক্ষী চকীত সোধপোচ অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে দৌলাশাল আৰক্ষী চকীৰ এলেকাধীন অঞ্চলত ড্ৰাগ্‌ছ, নিচাজাতীয় টেবলেটকে ধৰি অপৰাজনিত ঘটনা নিৰ্মূল কৰাৰ বাবে সদায়ে সক্ষম হৈ আহিছে আৰক্ষী চকীখনৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিকমল বনিয়া।

## লাহৰীঘাট গ'ল্ডেন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২মে' ঃ** সদ্যঘোষিত অসম উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মৰিগাঁও জিলাৰ লাহৰীঘাট গ'ল্ডেন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলে কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখি গৌৰৱ কঢ়িয়াই আনি লাহৰীঘাটবাসীক উৎফুল্ল কৰিছে। কালি স্কুল কৰ্তৃপক্ষই তিনিওটা শাখাৰে ডিষ্টিংচন আৰু ষ্টাৰ মাৰ্ক পোৱা ৪২ গৰাকী শিক্ষাৰ্থীৰ লগতে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা প্ৰায় ডেৰ শতাধিক শিক্ষাৰ্থীক একোখনকৈ ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি হিচাপে নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ প্ৰবক্তা ৰফিকুল ইছলাম, পৰিচালনা সমিতিৰ বিষয় ববীয়াসকল ক্ৰমে হবিবুৰ ৰহমান, আকাবৰ আলী, আনাৰুল ইছলাম, আব্দুল জলিলৰ লগতে অধ্যক্ষ গুলজাৰ হুছেইন, শিক্ষক গোট, অভিভাৱক আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল উপস্থিত আছিল।



# জাগাৰাত ৰঙালী বিহু উদ্‌যাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰক্ষেত্ৰী, ২ মে' ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত জাগাৰাত ১মে' শুক্ৰবাৰে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে জাগাৰা গোপাল মন্দিৰ প্ৰাঙ্গনত, জাগাৰা গোপালপুৰবাসী ৰাইজৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক ৰঙালী বিহু উদ্‌যাপন কৰা হয়। ধৰণী বেজবৰুৱাক উপদেষ্টা, গৌতম বেজবৰুৱাক সভাপতি, নৃপেন বৈশ্যক উপ-সভাপতি, ভৱেশ বৰুৱা আৰু ভাস্কৰ বৰুৱাক কাৰ্যকৰী সভাপতিদ্বয়, বংকিম বৰুৱাক মুখ্য সম্পাদক, অঞ্জন বৰুৱা আৰু দ্বীপজ্যোতি বৰুৱাক সম্পাদকদ্বয়, অচ্যুত বৰুৱা, পিংকু বৰুৱা আৰু চম্পক বৰুৱাক সহঃ সম্পাদক হিচাপ লৈ ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন কৰা দ্বিতীয় বাৰ্ষিক ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে জানিবলৈ দিয়া অনুসৰি পুৱা ৭ বজাত চাফাই অভিযান,৭.৩০ বজাত বিহুৰ পতাকা উত্তোলন কৰে ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি গৌতম বেজবৰুৱাই, ৭.৪৫ বজাত গছপুলি ৰোপণ কৰে ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উপদেষ্টা ধৰণী বেজবৰুৱাই, ৮ বজাত স্মৃতি তৰ্পণ, পুৱা ৯বজাত খেল-ধেমালি প্ৰতিযোগিতাৰ উদ্বোধন কৰে জাগাৰাৰ সমাজকৰ্মী ব্ৰজেন বেজবৰুৱাই, ১১বজাত ভেশচন প্ৰতিযোগিতা, আবেলি ৩বজাত মুকলি প্ৰশ্ন মঞ্চ, ৪বজাত স্থানীয় শিল্পীৰ দ্বাৰা জুবিন গাৰ্গৰ গীতৰ অনুষ্ঠান, সন্ধিয়া ৫বজাত জুবিন গাৰ্গ, ৰামচৰণ ভৰালী, দীপক শৰ্মা আৰু নিশামণি হালৈলৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলনত অংশগ্ৰহণ কৰে বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ সভাপতি নিপন ভড়ালী, জাগাৰা-নপ্তিপাৰা গাঁও পঞ্চায়ত সভানেত্ৰী উষাৰাণী তালুকদাৰ, জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য দিনেশ বৈশ্য, জাগাৰা-নপ্তিপাৰা গাঁও পঞ্চায়তৰ উপ-সভাপতি বিনোদ ডেকা, জাগাৰা হাইস্কুলৰ শিক্ষক সুবোধ ডেকা, জাগাৰাৰ যুৱ সমাজকৰ্মী ৰাহুল ডেকাই। সন্ধিয়া ৫.৩০বজাত একক নৃত্য প্ৰতিযোগিতাৰ উদ্বোধন কৰে ধৰ্মপুৰৰ যুৱ সমাজকৰ্মী প্ৰাণজিৎ ঠাকুৰীয়াই। সন্ধিয়া ৬বজাত বিহু বাকৰি উদ্বোধন কৰে জাগাৰাৰ বিশিষ্ট সমাজকৰ্মী উত্তম তালুকদাৰে। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ডি এছ আৰ একাডেমীৰ প্ৰবক্তা লাচিত ডেকা, বগুৰিহাটী উচ্চতৰ মাধ্যমিক বিদালয়ৰ অধ্যক্ষ দ্বীপেন চৌধুৰী, জাগাৰা-নপ্তিপাৰা গাঁও পঞ্চায়তৰ সদস্যা গীতা ডেকা, জাগাৰা প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক গোকুল ডেকা। নিশা অসমৰ বিভিন্ন প্ৰান্তৰ আমন্ত্ৰিত বিহু হুঁচৰি দলৰ দ্বাৰা মুকলি বিহু প্ৰদৰ্শন কৰে।

**বেংক অফ বৰোদা (Bank of Baroda)**
**তেজপুৰ মেইন ৰোড শাখা**
এম. জি. ৰোড, মেইন ৰোড, তেজপুৰ, অসম, পিন- ৭৮৪০০১
ইমেইল: vjtezp@bankofbaroda.bank.in
**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

| ক্ৰ. নং | ঋণীৰ নাম আৰু ঠিকনা | মুঠ দেয় (লাখত) | বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম | পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | কনেশ্বৰ নাৰ্জাৰী, ঢেকিয়াজুলি | ৪.৫৯ | নিৰ্মাণ: মাৰুতি ছুজুকি মডেল: অল্টো কে১০ ভিএক্সআই + পঞ্জীয়ণ নং: এএছ১২এএল১৪৫২ | ০৪.০৬.২০২৬ সময়: দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ | ১) ২,৯৩,০০০/- টকা ২) ২৯,৩০০/- টকা ৩) ১০,০০০/- টকা | একাউণ্ট নং: ৬৫৫২০০১৫১৮১২১৯ আইএফএছচি: BARB0VJTEZP | ০২.০৬.২০২৬ সময়: পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ |
| ২. | তেজপুৰ চাইকেল হস্পিতাল, তেজপুৰ | ৪.২০ | নিৰ্মাণ: টাটা মটৰ্‌ছ লিমিটেড মডেল: টিয়াগো এক্সটি নিউ পঞ্জীয়ণ নং: এএছ১২এএফ৯৬৫৬ | ০৪.০৬.২০২৬ সময়: দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ | ১) ৩,১৫,০০০/- টকা ২) ৩১,৫০০/- টকা ৩) ১০,০০০/- টকা | একাউণ্ট নং: ৬৫৫২০০১৫১৮১২১৯ আইএফএছচি: BARB0VJTEZP | ০২.০৬.২০২৬ সময়: পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বীৰ** মোবাইল নম্বৰ: ৭০০৫৬৭৬৯৯৮-ত যোগাযোগ কৰিব পাৰে।
*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**
**তাৰিখ ঃ ০২-০৫-২০২৬, স্থান ঃ তেজপুৰ** — **শাখা মুৰব্বী, বেংক অফ বৰোদা**

**ইণ্ডিয়ান বেংক Indian Bank — ইলাহাবাদ ALLAHABAD**
**দাবী জাননী**
**বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ ধাৰা ১৩ (২)ৰ অধীনত জাননী**
**মাণ্ডলিক কাৰ্যালয়**
৩য় মহলা, জি এল পাব্লিকেচন বিল্ডিং, উলুবাৰী, জি. এছ. ৰোড, গুৱাহাটী, অসম- ৭৮১০০৭
ই-মেইল ঃ zoguwahati@indianbank.bank.in

স্থান : গুৱাহাটী
তাৰিখ : ২৯.০৪.২০২৬

পৰা,
**আশীষ কুমাৰ**
**মুখ্য প্ৰবন্ধক,**
**অনুমোদিত বিষয়া**
**ইণ্ডিয়ান বেংক, মাণ্ডলিক কাৰ্যালয়, গুৱাহাটী, উলুবাৰী, গুৱাহাটী, অসম- ৭৮১০০৭**
প্ৰতি,
**১) শ্ৰী মহোদৰ তালুকদাৰ (ঋণী তথা বন্ধকদাতা)**
পিতা- প্ৰয়াত বি.এন. তালুকদাৰ, ঘৰ নং ১৬, মিনাক্ষী নিৱাস, অনিল নগৰ, উপ পথ নং ২, ডাকঘৰ- উলুবাৰী, থানা- গীতা নগৰ, গুৱাহাটী- ৭৮১০০৭, জিলা কামৰূপ, অসম।
**২) শ্ৰীমতী ভাওলিনা তালুকদাৰ (সহ-ঋণী)**
পিতা- শ্ৰী মহোদৰ তালুকদাৰ, ঘৰ নং ১৬, মিনাক্ষী নিৱাস, অনিল নগৰ, উপ পথ নং ২, ডাকঘৰ- উলুবাৰী, থানা- গীতা নগৰ, গুৱাহাটী- ৭৮১০০৭, জিলা কামৰূপ, অসম।
মহোদয়া/মহোদয়,
**বিষয়: আমাৰ ইণ্ডিয়ান বেংক, জিএনবি ৰোড শাখাত আপোনাৰ এইচবিএল একাউণ্ট নং ৬৩৫০৬৯৮২৬২**
আপোনালোকৰ ১ম জন হৈছে ঋণী তথা বন্ধকদাতা এতিয়া বা সকলো সময়তে আপোনাৰ সম্পত্তিসমূহ ঋণ একাউণ্টত নিৰাপত্তা হিচাপে আগবঢ়াইছে। আপোনালোকৰ ২য় জন হৈছে আপোনালোক দুয়োজনে লাভ কৰা ঋণ একাউণ্টৰ সহ-ঋণী।
আপোনালোকৰ ১ম আৰু ২য় জনৰ অনুৰোধত বেংকিং ব্যৱসায়ৰ কালছোৱাত তলত দিয়া সুবিধাসমূহ অনুমোদিত হৈছিল আৰু আপোনালোকৰ ১ম আৰু ২য় জনেই লাভ কৰিছিল।

| ক্ৰ. নং | সুবিধাৰ প্ৰকৃতি: | সীমা (লাখ টকাত) |
|---|---|---|
| ১. | এইচ বি এল [আই বি এইচ এল-আৰইএছআই-এফএলঅ'টি ৭৫এল এ-এম আই চি] | ১২.০০ |

আপোনালোকৰ ১ম আৰু ২য় জনে উক্ত ঋণৰ বাবে তলত দিয়া নথিপত্ৰসমূহ কাৰ্যকৰী কৰিছে।

| ঋণৰ প্ৰকৃতি | নথিপত্ৰৰ প্ৰকৃতি |
|---|---|
| এইচ বি এল [আই বি এইচ এল-আৰইএছআই-এফএলঅ'টি ৭৫এল এ-এম আই চি] একাউণ্ট নং: ৬৩৫০৬৯৮২৬২ | ১) অনুমোদন পত্ৰৰ স্বীকৃতি ২) ডিমাণ্ড প্ৰমিছৰী নোট ৩) টাইটেল ডিড জমা হোৱাটো নিশ্চিত কৰা বন্ধকদাতাৰ পত্ৰ ৪) অন্যান্য ঋণৰ নথিপত্ৰ |

উক্ত ঋণ পৰিশোধৰ বাবে তলত দিয়া সূচী অনুসৰি আপোনালোকৰ ১ম জনৰ অনিল নগৰ, উপ পথ ২, ঘৰ নং ১৬, গুৱাহাটী, জিলা কামৰূপ (ম), অসমত অৱস্থিত গাঁও- ২ নং জাপৰিগোগ, মৌজা- বেলতলা, উপ পঞ্জীয়ন কাৰ্যালয় গুৱাহাটী, ৰাজহ চক্ৰ দিছপুৰত কে পি পট্টা নং ১১১/১৬৫ (পুৰণি) ৯১৪ (নতুন)-ৰ দাগ নং ৬৩ (পুৰণি) ৯১২ (নতুন)-ৰ অধীনৰ **২.৬৮ আৰ** (১ কঠা) পৰিমাপৰ মুঠ ভূমিৰ ভিতৰত ০.৪৪ **আৰ** পৰিমাপৰ ভূমিৰ অবিভক্ত সমানুপাতিক অংশৰ সৈতে নিৰ্মিত 'মিনাক্ষী নিৱাছ' নামৰ জি+২ অট্টালিকাৰ ভূমি মহলাত ৭১১ বৰ্গফুট [এছবিএ] পৰিমাপৰ এটা আৱাসিক ফ্লেট সম্পত্তিৰ ন্যায্য বন্ধকীৰ দ্বাৰা সুৰক্ষিত।
বাৰে বাৰে অনুৰোধ জনোৱাৰ পিছতো সুতৰ সৈতে ধনৰাশিসমূহ পৰিশোধ কৰিবলৈ আহ্বান জনোৱাৰ পিছতো: আপোনালোক সকলোৱে আৰু আপোনালোকৰ প্ৰত্যেকেই যিসকলে যৌথভাৱে আৰু পৃথকে পৃথকে দায়বদ্ধ, তেওঁলোকে ব্যৰ্থ হৈছে আৰু প্ৰাপ্য ধন পৰিশোধ কৰাত ডিফল্ট হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা সম্পত্তিৰ শ্ৰেণীবিভাজনৰ সৈতে জড়িত নিৰ্দেশনা/উপদেশ প্ৰণালী অনুসৰি ঋণ একাউণ্টটোক **০৯/১২/২০২৫** তাৰিখৰ পৰা নন পাৰফৰ্মিং এচেট হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।
**২৮.০৪.২০২৬** তাৰিখলৈ আপোনাৰ দ্বাৰা প্ৰদান কৰিবলগীয়া মুঠ বাকী থকা ধনৰ পৰিমাণ **৯,৩৮,৩৭৭.০০ টকা (ন লাখ আঠত্ৰিছ হাজাৰ তিনিশ সাতসত্তৰ টকা মাত্ৰ)** আৰু উক্ত ধনৰাশি **০৯.১২.২০২৫** তাৰিখৰ পৰা পৰিশোধৰ তাৰিখলৈ চুক্তিবদ্ধ হাৰত অতিৰিক্ত সুত। একাউণ্ট অনুসৰি মুঠ দেয় ধন তলত উল্লেখ কৰা হৈছে:

| একাউণ্ট নং | বুক বেলেঞ্চ [টকা] | ০৯.১২.২০২৫ৰ পৰা ২৮.০৪.২০২৬ তাৰিখলৈ সুত | মুঠ [টকা] |
|---|---|---|---|
| ৬৩৫০৬৯৮২৬২ | ৮,৬৯,৪০৪.০০ | ৬৮,৯৭৩.০০ | ৯,৩৮,৩৭৭.০০ |

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ অধীনত ঋণী শব্দটোৱে বেংকৰ দ্বাৰা আৰ্থিক সাহায্য প্ৰদান কৰা বা বেংকৰ দ্বাৰা প্ৰদান কৰা উক্ত আৰ্থিক সাহায্যৰ নিৰাপত্তা হিচাপে কোনো নিশ্চয়তা দিয়া বা কোনো বন্ধকী / সৃষ্টি কৰা চাৰ্জৰ সৃষ্টি কৰা যিকোনো ব্যক্তিক বুজায়।
গতিকে, আপোনালোক সকলোকে আৰু আপোনালোকৰ প্ৰত্যেককে **২৮.০৪.২০২৬ তাৰিখ** অনুসৰি প্ৰাপ্য ধনৰাশি অৰ্থাৎ- **৯,৩৮,৩৭৭.০০ টকা (ন লাখ আঠত্ৰিছ হাজাৰ তিনিশ সাতসত্তৰ টকা মাত্ৰ)** লগতে এই তাৰিখৰ পৰা পৰিশোধৰ তাৰিখলৈ সুতৰ সৈতে ধাৰা ১৩ (২)ৰ অধীনত জাৰি কৰা এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত দিবলৈ আহ্বান জনোৱা হৈছে, বিফল হ'লে উক্ত আইনখনৰ অধীনত বেংকে আপোনাৰ বিষয়ে আৰু কোনো উল্লেখ নকৰাকৈয়ে প্ৰতিভূতি স্বাৰ্থ বলবৎ কৰাৰ অধিকাৰ প্ৰয়োগ কৰিবলৈ বাধ্য হ'ব। যদি আপুনি এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত আপোনাৰ দায়বদ্ধতা সম্পূৰ্ণৰূপে নিষ্কাশন কৰিব নোৱাৰে, তেন্তে বেংকে ইয়াৰ অধীনত তলৰ সূচীত দিয়া সুৰক্ষিত সম্পত্তিৰ বিপৰীতে আইনখনৰ ধাৰা ১৩ (৪)ৰ অধীনত নিজৰ বলবৎকাৰী অধিকাৰ ব্যৱহাৰ কৰিব।
এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ম্যাদ উকলি যোৱাৰ পিছত আৰু আপোনালোকে দাবী মানি চলাত ব্যৰ্থ হ'লে বেংকে আইনৰ অধীনত নিজৰ অধিকাৰ ব্যৱহাৰ কৰি দখল লোৱাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।
অনুগ্ৰহ কৰি মন কৰিব যে উক্ত আইনৰ ধাৰা ১৩ (১৩) অনুসৰি এই জাননীৰ তাৰিখৰ পিছত বেংকৰ পূৰ্বৰ লিখিত সন্মতি অবিহনে বিক্ৰী, পট্টা বা অন্য কোনো উপায়েৰে সুৰক্ষিত সম্পত্তিৰ (তলত দিয়া সূচীত) কোনো হস্তান্তৰ কৰা নহ'ব।
**উল্লেখ কৰা বাহুল্য যে এই জাননীখন বেংকৰ বাবে উপলব্ধ আন কোনো প্ৰতিকাৰৰ প্ৰতি কোনো ধৰণৰ ক্ষতি নকৰাকৈ আপোনাক উদ্দেশ্যি কৰা হৈছে। অনুগ্ৰহ কৰি মন কৰিব যে এই জাননীখন বেংকৰ ডি আৰ টি/ডি আৰ এ টি/আদালতৰ ডি আৰ টি/আৰ অ'ৰ আগত বৰ্তমান বিচাৰাধীন কাৰ্য্যবিধি আগবঢ়াই নিয়া আৰু লাভ কৰা/লাভ কৰিবলগীয়া আদেশ/ডিক্ৰী নিষ্পাদনৰ কাম আগবঢ়াই নিয়াৰ অধিকাৰক ক্ষতিগ্ৰস্ত নকৰাকৈ জাৰি কৰা হৈছে।**
**অনুগ্ৰহ কৰি মন কৰিব যে বেংকে আপোনাক ৰেহাই দিয়া বাকী থকা বিল, আপোনাৰ হৈ জাৰি কৰা আৰু প্ৰতিষ্ঠা কৰা বেংকৰ নিশ্চয়তা আৰু ক্ৰেডিট পত্ৰৰ লগতে অন্যান্য আকস্মিক দায়বদ্ধতাৰ অধীনত উদ্ভৱ হ'ব পৰা দায়বদ্ধতাসমূহ পৰিশোধ কৰিবলৈ আহ্বান জনোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।**
"আমি চাৰফেইচি (SARFAESI) আইনৰ ধাৰা ১৩ (৮) আৰু তাত প্ৰস্তুত কৰা নিয়মাৱলীৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰালোঁ যিয়ে আপোনাৰ ছিকিউৰিটিসমূহৰ মুক্তিৰ অধিকাৰৰ বিষয়ে মোকাবিলা কৰে।"
তলত স্বাক্ষৰকাৰীজন এই জাননী জাৰি কৰিবলৈ আৰু পূৰ্বতে উল্লেখ কৰা ধাৰা ১৩ৰ অধীনত ক্ষমতা প্ৰয়োগ কৰিবলৈ বেংকৰ যথাযথভাৱে অনুমোদিত বিষয়া।

**সূচী**
যিবোৰ সম্পত্তিত প্ৰতিভূতি স্বাৰ্থ সৃষ্টি কৰা হয়, সেইবোৰৰ নিৰ্দিষ্ট বিৱৰণ তলত উল্লেখ কৰা হ'ল:
**বন্ধকী সম্পত্তিসমূহঃ-**
অনিল নগৰ, উপ পথ ২, ঘৰ নং ১৬, গুৱাহাটী, জিলা কামৰূপ (ম), অসমত অৱস্থিত গাঁও- ২ নং জাপৰিগোগ, মৌজা- বেলতলা, উপ পঞ্জীয়ন কাৰ্যালয় গুৱাহাটী, ৰাজহ চক্ৰ দিছপুৰত কে পি পট্টা নং ১১১/১৬৫ (পুৰণি) ৯১৪ (নতুন)-ৰ দাগ নং ৬৩ (পুৰণি) ৯১২ (নতুন)-ৰ অধীনৰ **২.৬৮ আৰ** (১ কঠা) পৰিমাপৰ মুঠ ভূমিৰ ভিতৰত ০.৪৪ **আৰ** পৰিমাপৰ ভূমিৰ অবিভক্ত সমানুপাতিক অংশৰ সৈতে নিৰ্মিত 'মিনাক্ষী নিৱাছ' নামৰ জি+২ অট্টালিকাৰ ভূমি মহলাত ৭১১ বৰ্গফুট [এছবিএ] পৰিমাপৰ এটা আৱাসিক ফ্লেট। উক্ত সম্পত্তিটো জ্যেষ্ঠ উপ-পঞ্জীয়ক, কামৰূপ মহানগৰ, গুৱাহাটীৰ আগত পঞ্জীকৃত **প্ৰয়াত বি.এন. তালুকদাৰৰ পুত্ৰ শ্ৰী মহোদৰ তালুকদাৰৰ** মালিকানাধীনত পঞ্জীকৃত বিক্ৰী দলিল নং I-৭৭৭৫, তাৰিখ ০১.০৭.২০১৫
**যি ভূমিত অট্টালিকাটো নিৰ্মাণ কৰা হৈছে তাৰ চাৰিসীমা (ইভিআৰ অনুসৰি) :- উত্তৰে:** পথ, **দক্ষিণে:** পথ, **পূবে:** এছ পি বৰুৱাৰ ভূমি, **পশ্চিমে:** খালী ভূমি।
**আপোনাৰ বিশ্বাসী**
**অনুমোদিত বিষয়া**
**ইণ্ডিয়ান বেংক**

# ওৰাং ৰাজহুৱা নামঘৰ-শংকৰী কলা-কৃষ্টি কেন্দ্ৰৰ সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২ মে' ঃ** মহাপুৰুষ দুজনাৰ আদৰ্শৰে ১৯৭৬ চনত ওদালগুৰি জিলাৰ ওৰাঙত বৈষ্ণৱ ভকতৰ প্ৰচেষ্টাত গঢ় লৈ উঠা ওৰাং ৰাজহুৱা নামঘৰ আৰু কলা কৃষ্টি কেন্দ্ৰই এই বৰ্ষত সোণালী জয়ন্তী বৰ্ষত প্ৰদৰ্পন কৰিছে। সোণালী জয়ন্তী বৰ্ষ উপলক্ষে নামঘৰ পৰিচালনা সমিতি আৰু আয়োজক সমিতিয়ে দুদিনীয়াকৈ অহা ৭ আৰু ৮ মে'ত পুনুৰাম ডেকা সমন্বয় ক্ষেত্ৰত সোণালী জয়ন্তী উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুসৰি ৭মে'ত ভাগৱত ভ্ৰমণ, ধৰ্মধ্বজা উত্তোলন, সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, ভাগৱত পাঠ, আমন্ত্ৰিত দলৰ দ্বাৰা নাম প্ৰসংগ, ১২বজাত মুখ্য তোৰণ উন্মোচন কৰাৰ পিছতে পুনাৰাম ডেকা ক্ষেত্ৰ উন্মোচন কৰা হ'ব। ১.১৫ বজাত নামঘোষা প্ৰতিযোগিতা, বিয়লী স্থানীয় শিল্পীৰ দ্বাৰা বৰগীত, সত্ৰীয়া নৃত্য পৰিৱেশনৰ পিছতে ৫০গছি বন্তি প্ৰজ্বলন। সন্ধিয়া মৰমী শইকীয়াৰ দলৰ নাগাৰা নাম প্ৰদৰ্শন। ৮মে'ৰ পুৱা ৯ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন। ১বজাত ধৰ্মালোচনী সভা। উদ্‌যাপন সমিতিৰ সভাপতি উদ্ধৱ চন্দ্ৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া ধৰ্মালোচনী সভাত 'সমাজ গঠনত আধ্যাত্মিকতাৰ প্ৰয়োজনীয়তা' শীৰ্ষক ধৰ্মালোচনী সভা উদ্বোধন কৰিব এল অ কে ডি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতা, বিশিষ্ট ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ মন্ত্ৰী চৰণ বড়ো, সাংসদ দিলীপ শইকীয়া, পাৰিষদ শ্যাম চুণ্ডী সহিতে কেবাগৰাকী বিশিষ্ট ব্যক্তি। ৩.৪৫ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত শিশু উন্নয়ন বিষয়া প্ৰীতিলতা দাসে। বিয়লী নামঘৰৰ আয়তীসকলৰ দ্বাৰা নাট প্ৰদৰ্শনৰ পিছতে বিশিষ্ট নৃত্যশিল্পী ৰুবী বৰা বৰদলৈৰ তত্বাৱধানত তেজপুৰৰ 'নুপুৰ নৃত্যাংগনা' নৃত্যদলৰ সত্ৰীয়া নৃত্যানুষ্ঠান 'গুৰু বন্দনা' উন্মোচন কৰিব বিশিষ্ট সমাজকৰ্মী, গুৱাহাটীৰ স্নেহাশিস দত্তই। সন্ধিয়া ওৰাং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিৰকজ্যোতি দাসে ভাওনাস্থলী মুকলি কৰাৰ পিছতে তেজপুৰ যুৱ সমাজৰ দ্বাৰা 'দক্ষ যজ্ঞ' ভাওনা প্ৰদৰ্শন। এইবাৰ নামঘৰৰ সোণালী জয়ন্তী উৎসৱটো সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত আই-মাতৃ সকল ক্ৰমে-কনকলতা বৰা, বিনা শইকীয়া, জোন শইকীয়া, ভাৰতী ৰয়, লাৱণ্য চৌধুৰী, জোন বৰুৱা, মাধবী গিৰি, মাধবী শইকীয়া, অঞ্জলি ভড়ালী, সোণতৰা শইকীয়া, মঞ্জু চহৰীয়া, বিনীতা ডেকা, বেবী হাজৰিকা, কাবেৰী ডেকা, কাকলী দাস, পূৰবী দাস, ধৰিত্ৰী শইকীয়া, কবিতা বড়া, বিজু শইকীয়া, ৰিমলী চহৰীয়া ডেকা, পাপৰী পাঠক ডেকা, ভনিতা বৰুৱা, প্ৰণীতা তালুকদাৰ, সুনিতা চৌধুৰী, পদ্মা কাকতি, ভানু তামুলী, গীতালী তামুলী, কুসুম দাস, মীৰা তামুলী, জ্যোতিকা শইকীয়া, মামনী তামুলী, মৌচুমী শইকীয়া, কুঞ্জলতা ডেকা আদিয়ে সহায়-সহযোগিতা কৰিছে। নামঘৰটোৰ আই-মাতৃসকলে সোণালী জয়ন্তী উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে ৫০ হাজাৰ টকা প্ৰদান কৰি উজ্জ্বল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। দুয়োদিনৰ সমগ্ৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা গঠনমূলক-সৃষ্টিশীল দিহা পৰামৰ্শ আদি আগবঢ়াবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।